# জীৱন – ধাৰণৰ মান উন্নয়নত প্ৰযুক্তিৰ প্ৰভাৱ

## অনুশীলনী

**প্ৰশ্ন ১। প্ৰযুক্তি কাক বাােলে ?**

**উত্তৰঃ** কোনাে কাৰ্য পৰিচালনা আৰু সম্পাদনা কৰাৰ বাবে বৈজ্ঞানিক চিন্তা – চৰ্চা , আহিলা – পাতি আৰু কৌশল আদি প্ৰয়াােগ কৰাকে প্ৰযুক্তি বুলি কোৱা হয় ।

**প্ৰশ্ন ২। জীৱন ধাৰণৰ মান উন্নয়নত প্ৰযুক্তিয়ে কিদৰে সহায় কৰিছে আলাােচনা কৰা ।**

**উত্তৰঃ** মানুহৰ বৈজ্ঞানিক চিন্তা – চৰ্চাই প্ৰায়াােগিকভাৱে প্ৰযুক্তিৰ ৰূপত বিকাশ লাভ কৰিলে । প্ৰযুক্তিৰ প্ৰয়াােগেৰে প্ৰকৃতিৰ পৰা আমাৰ প্ৰয়াােজনীয় সম্পদৰাজি আহৰণৰ দ্বাৰা মানুহৰ জীৱন – ধাৰণৰ মান ক্ৰমাৎ উন্নত হ’বলৈ ধৰিলে । প্ৰযুক্তিৰ সহায়ত পানীৰ দ্বাৰা বিজুলী শক্তি , গাােবৰৰ পৰা গাােবৰ গেছ , সূৰ্যৰ ৰশ্মিৰ পৰা সৌৰশক্তি আহৰণ কৰি মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিবলৈ ল’লে । প্ৰযুক্তিৰ সহায়তে মানুহে ঘৰতে বহি বহু দূৰৈত থকা মানুহৰ লগত টেলিফোনেৰে যাােগাযাােগ কৰিব পাৰিলে , টেলিভিছনত বিভিন্ন ধৰণে অনুষ্ঠান উপভাােগ কৰিব পৰা হ’ল । বিজ্ঞান ভিত্তিক প্ৰযুক্তিৰ সহায়ত বিভিন্ন সময়ত আৱিষ্কৃত সামগ্ৰীসমূহে আমাক নানান সুবিধা আৰু আৰাম প্ৰদান কৰি আমাৰ দৈনন্দিন জীৱন – যাপনৰ মান উন্নত কৰিছে ।

উদাহৰণ স্বৰূপে , আমি এতিয়া গৰমৰ পৰা ৰক্ষা পাবলৈ বিচনীৰ সলনি বিজুলী শক্তিৰ দ্বাৰা চালিত ফেন , এয়াৰ কুলাৰ , এয়াৰ কণ্ডিচনাৰ আদি ব্যৱহাৰ কৰোঁ । ৰন্ধন কাৰ্যত খৰিৰ সলনি গেছ , মাইক্ৰৱেভ , হট প্লেট আদি ব্যৱহাৰ কৰা হয় । একেদৰে প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত যাতায়াত , যাােগাযাােগ , চিকিৎসা , কৃষি আৰু উদ্যোগজাত সামগ্ৰীৰ উৎপাদন , শিক্ষা আদিৰ ক্ষেত্ৰতো বহুত পৰিৱৰ্তন আহিছে । যাতায়াত আৰু যাােগাযাােগ ব্যৱস্থাৰ উন্নতিৰ ফলত বিভিন্ন অঞ্চল আৰু দেশ – বিদেশৰ মাজত বেহা বেপাৰ , আদান – প্ৰদান বৃদ্ধি পাইছে । সংস্কৃতিৰ আদান – প্ৰদান হৈছে । কৃষি আৰু উদ্যোগজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পাইছে। ইয়াৰ ফলত জাতীয় আয় বৃদ্ধি হাােৱাৰ লগতে জনমুৰি আয়াে বৃদ্ধি হৈছে ।

চিকিৎসা সেৱাত উন্নত প্ৰযুক্তি ব্যৱহাৰৰ ফলত মানুহ নিৰাােগী আৰু দীৰ্ঘায়ু হৈছে । পযুক্তিৰ অৱদান কম্পিউটাৰ , ইন্টাৰনেট , টেলিফোন , ম’বাইল , উপগ্ৰহ আদিৰ ব্যৱহাৰে পৃথিৱীখনক ওচৰ চপাই আনি এখন ডাঙৰ গাঁৱত পৰিণত কৰিছে । মুঠৰ ওপৰত

প্ৰযুক্তিৰ ব্যৱহাৰে আধুনিক সভ্যতা – সংস্কৃতিক এক নতুন অৱস্থানত উপনীত কৰাইছে। ইয়াৰ লগে লগে মানুহৰ জীৱন – ধাৰণৰ সামগ্ৰিক মানাে উন্নত হৈছে।

**প্ৰশ্ন ৩। প্ৰকৃতিৰ পৰা আমি কি কি শক্তি লাভ কৰোঁ আৰু ই আমাৰ কেনেকুৱা অভাৱ পূৰণ কৰে ?**

**উত্তৰঃ** প্ৰকৃতিৰ পৰা আমি পাোৱা শক্তিবােৰ হৈছে — পানীৰ দ্বাৰা উৎপন্ন হাোৱা বিজুলী শক্তি , সূৰ্যৰ ৰশ্মিৰ পৰা আহৰণ কৰা সৌৰশক্তি , বতাহৰ পৰা পাোৱা শক্তি।

পানীৰ পৰা উৎপাদন কৰা বিজুলী শক্তিক আমি দৈনন্দিন জীৱনত প্ৰয়ােজন হাোৱা বিজুলী শক্তি প্ৰধান উৎস হিচাপে ব্যৱহাৰ কৰোঁ।

সূৰ্যৰ ৰশ্মিৰ পৰা আহৰণ কৰা সৌৰ শক্তিক আমি দৈনন্দিন জীৱনৰ প্ৰয়ােজনীয় বহুক্ষেত্ৰত ইন্ধন হিচাপে ব্যৱহাৰ কৰোঁ। সৌৰ শক্তিক ৰন্ধন গেছ হিচাপেও ব্যৱহাৰ কৰা হয়। ইয়াক ছুলাৰ গেছ বােলা হয়। আকৌ আজি-কালি প্ৰাকৃতিক প্ৰদূষণ ৰোধ কৰিবলৈ অন্যান্য ইন্ধনৰ সলনি সৌৰ শক্তিক ইন্ধন হিচাপে ব্যৱহাৰ কৰি সৌৰশক্তি চালিত যানবাহন ব্যৱহাৰৰ প্ৰস্তুতি চলাোৱা হৈছে।

বতাহৰ পৰা পাোৱা শক্তিক বিজুলীশক্তি উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হয়।

**প্ৰশ্ন ৪। খালী ঠাই পূৰ কৰা –**

( ক ) মানুহৰ অভাৱ …………………।

**উত্তৰঃ** মানুহৰ অভাৱ অসীম / অন্তহীন।

( খ ) অভাৱেই ………………… মূল।

**উত্তৰঃ** অভাৱেই আৱিষ্কাৰৰ মূল।

( গ ) আধুনিক শিক্ষা প্ৰসাৰৰ লগে লগে মানুহে ………………. চিন্তা – চৰ্চা কৰিবলৈ ধৰিলে।

**উত্তৰঃ** আধুনিক শিক্ষা প্ৰসাৰৰ লগে লগে মানুহে বিজ্ঞানসম্মত চিন্তা – চৰ্চা কৰিবলৈ ধৰিলে।

( ঘ ) ৰেল , মটৰ , উৰাজাহাজৰ আৱিষ্কাৰৰ ফলত ……………… সুচল আৰু খৰতকীয়া হৈছে ।

**উত্তৰঃ** ৰে’ল , মটৰ , উৰাজাহাজৰ আৱিষ্কাৰৰ ফলত যাতায়াত সুচল আৰু খৰতকীয়া হৈছে ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

### ( ক ) অতি চমু প্ৰশ্নোত্তৰ –

**প্ৰশ্ন ১। যাতায়াত আৰু যােগাযােগ ব্যৱস্থাৰ উন্নতিৰ ফলত কি কি পৰিৱৰ্তন সাধন হৈছে লিখা।**

**উত্তৰঃ** আধুনিক প্ৰযুক্তিৰ প্ৰয়ােগৰ ফলত যাতায়াত আৰু যােগাযােগ ব্যৱস্থাৰ বহুতাে উন্নতি সাধিত হৈছে । ৰে’ল , মটৰ , উৰাজাহাজ আৱিষ্কাৰৰ ফলত যাতায়াত সুচল আৰু খৰতকীয়া হৈছে । পথ পৰিবহন ব্যৱস্থাৰ উন্নয়নৰ দ্বাৰা দেশৰ ভিতৰুৱা অঞ্চল বিলাকৰ লগত যােগাযােগ সম্ভৱ হৈছে । ৰে’ল সেৱাৰ ফলত গধুৰ বস্তু অনা নিয়া কৰাত সুবিধা হৈছে । যাতায়াত ব্যৱস্থাৰ উন্নতিৰ ফলত ভিন্ন অঞ্চল আৰু দেশৰ মাজত বেহা – বেপাৰ বৃদ্ধি হৈছে । সংস্কৃতিৰ আদান – প্ৰদান হৈছে । সেইদৰে যােগাযােগ ব্যৱস্থাৰ ক্ষেত্ৰত কম্পিউটাৰ , ইণ্টাৰনেট , টেলিফোন , ম’বাইল , উপগ্ৰহ আদিৰ ব্যৱহাৰে আধুনিক সভ্যতাক আগুৱাই লৈ যােৱাত বিশেষ অৱদান আগবঢ়াইছে । আধুনিক যােগাযােগ ব্যৱস্থাই সমগ্ৰ পৃথিৱীখনকে ওচৰ চপাই আনি এখনি ডাঙৰ গাঁৱত পৰিণত কৰিছে ।

উন্নত আধুনিক যােগাযােগ ব্যৱস্থাৰ সহায়ত মানুহে নিজৰ ঠাই বা বাসস্থানত থাকিয়েই বিভিন্ন ঠাইৰ খা – খবৰ পায় বা বিভিন্ন ঠাইৰ লােকৰ লগত ভাবৰ আদান – প্ৰদান কৰে । আগতে মানুহে কেৱল চিঠিৰ যােগেদি যােগাযােগ কৰিব পাৰিছিল আৰু ইয়াৰ বাবে বহু সময় লাগিছিল । কিন্তু বৰ্তমান যুগত যােগাযােগ উন্নত মাধ্যমসমূহে গােটেই পৃথিৱীখনকে সৰু কৰি পেলাইছে । দূৰ – দূৰণিৰ মানুহৰ লগত ঘৰতে বহি টেলিফোনেৰে কথা পাতিব পৰা হৈছে । ম’বাইল ফ’নৰ জৰিয়তে ঘৰৰ বাহিৰৰ যিকোনাে ঠাইত থাকিও পৃথিৱীৰ বিভিন্ন ঠাইত বাস কৰা মানুহৰ লগত কথা পাতিব পাৰি , সংক্ষেপে বাৰ্তা পঠিয়াব পাৰি । ৰেডিঅ ’ , টেলিভিছন আদিৰ যােগেদি পৃথিৱীৰ যিকোনাে ঠাইৰ খবৰ আমি তৎক্ষণাত পাব পাৰোঁ । মুঠৰ ওপৰত যােগাযােগ সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰে গােটেই বিশ্বত এক নতুন যুগৰ সূচনা কৰিছে ।

**প্ৰশ্ন ২। চিকিৎসা সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা ।**

**উত্তৰঃ** চিকিৎসা সেৱাৰ ক্ষেত্ৰত ব্যাপকভাৱে প্ৰযুক্তিৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত চিকিৎসা সেৱাই চমকপ্ৰদ সফলতা লাভ কৰিছে। বিভিন্ন দুৰাৰোগ্য ৰোগৰ ঔষধ আৱিষ্কাৰ হৈছে। বসন্ত , প্লেগ , কলেৰা আদি মহামাৰীসমূহ নিয়ন্ত্ৰিত হৈছে। শল্য চিকিৎসাৰ ক্ষেত্ৰত হোৱা উন্নতিৰ বাবে হৃৎপিণ্ড , বৃক্ক , মগজু , আদি শৰীৰৰ অতি গুৰুত্বপূৰ্ণ অংগৰ অস্ত্ৰোপচাৰ কৰিব পৰা হৈছে। আনকি এজন লোক বৃক্ক, চকু , হৃদপিণ্ড আদি আন এজন লোকৰ শৰীৰত স্থাপন কৰাটোও সম্ভৱ হৈছে। কৃত্ৰিম অংগ তৈয়াৰ কৰি পংগু লোকৰ শৰীৰত সেইবোৰ সংযোগ কৰি তেওঁলোকৰ শাৰীৰিক অক্ষমতা হ্ৰাস কৰাৰ ব্যৱস্থা কৰা হৈছে। সেইদৰে দৃষ্টিশক্তি হ্ৰাস পোৱা লোকৰ বাবে চশমা , কাণেৰে নুশুনা লোকৰ বাবে শ্ৰৱণ সহায়ক যন্ত্ৰ আৰু হৃদপিণ্ড দুৰ্বল হোৱা লোকৰ বাবে পেছমেকাৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। এই সকলোবোৰ সম্ভৱ হৈছে চিকিৎসা সেৱাত ব্যৱহাৰ হোৱা নতুন প্ৰযুক্তিৰ বাবে।

## প্ৰশ্ন ৩। শিক্ষা সেৱাত প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

**উত্তৰঃ** বৰ্তমান শিক্ষা ব্যৱস্থাত নতুন নতুন প্ৰযুক্তিৰ প্ৰয়োগ হ'বলৈ ধৰিছে। শিক্ষা ব্যৱস্থাটো কেৱল শিক্ষক আৰু বিদ্যালয়ৰ মাজতে আবদ্ধ হৈ নাথাকি বিভিন্ন মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা আৱিষ্কৃত হছে। বিভিন্ন দৃশ্য – শ্ৰাব্য ব্যৱস্থাৰ জৰিয়তে ঘৰতে বহি শিক্ষা লাভ কৰাৰ পৰিবেশ গঢ়ি উঠিছে। ৰেডিঅ' , টেলিভিছনৰ বিভিন্ন কাৰ্যসূচী , অডিঅ' টেপ, ভিডিঅ' টেপ , ইণ্টাৰনেট আদিৰ জৰিয়তে শ্ৰেণীকোঠাত তথা ঘৰতে বহি বহুতো দিশত শিক্ষা লাভ কৰিব পাৰি। আজি-কালি শিক্ষাদান ব্যৱস্থাত কম্পিউটাৰ , প্ৰজেক্ট আদিৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পাইছে। এইদৰে প্ৰযুক্তিৰ ব্যৱহাৰৰ ফলত শিক্ষা ব্যৱস্থাত ব্যাপক পৰিৱৰ্তন সাধন হৈছে।